**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 06-06-2026** **Time : 1:40 PM**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে বিশ্বৰ অধিকাংশ দেশেই অৰ্থনৈতিক ক্ষেত্ৰত অনিশ্চয়তাৰ সন্মুখীন হৈ অহা সময়ত ভাৰতে বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থনীতি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে।

২। হাৱাইত আজি ভাৰত আৰু আমেৰিকাৰ সেনাৰ ২৯ সংখ্যক উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হয়।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিয়াটলত আজি দ্বিতীয় ভাৰতীয় আম মহোৎসৱ অনুষ্ঠিত হৈছে।

৪। মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ গোৱাৰ মাৰগাঁৱত হ'বলগীয়া চূড়ান্ত খেলখনত আজি ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। **আৰু**

৫। চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ ক্ৰিকেট টেষ্ট মেচত ভাৰতে প্ৰথমে বেটিং কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে এটা উইকেট হেৰুৱাই ১৭৬ ৰান সংগ্ৰহ কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে বিশ্বৰ অধিকাংশ দেশেই অৰ্থনৈতিক ক্ষেত্ৰত অনিশ্চয়তাৰ সন্মুখীন হৈ অহা বৰ্তমানৰ সময়ত ভাৰতে বিশ্বৰ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থনৈতিক শক্তি হিচাপে নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৭ দশমিক ৭ শতাংশ হিচাপে নথিভুক্ত হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে শেহতীয়াকৈ বিগত ১২ বছৰতকৈ অধিক সময়ত ভাৰতীয় অৰ্থনীতিয়ে প্ৰদৰ্শন কৰা সহনশীলতা তথা অন্তৰ্নিহিত শক্তিৰ ফলত এই সাফল্য অৰ্জন কৰাটো সম্ভৱ হৈ উঠিছে। সামাজিক মাধ্যমৰ জৰিয়তে আজি প্ৰচাৰ কৰা এটা বাৰ্তাত এই বিষয়ে উল্লেখ কৰি শ্ৰী সিঙে লগতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে অৰ্থনৈতিক বিকাশক স্থিৰতা, আত্মবিশ্বাস, দীৰ্ঘস্থায়িত্ব আৰু নিৰ্ভৰশীলতাৰ সৈতে সাঙুৰি লৈ এইক্ষেত্ৰত সফলতা লাভ কৰিছে বুলি মত প্ৰকাশ কৰে।

ৰাষ্ট্ৰগঠন, উদ্ভাৱনৰ প্ৰতি দৃষ্টিনিক্ষেপ, আন্তঃগাঁথনি আৰু উদ্যমিতাৰ প্ৰতি শ্ৰী মোদীৰ দায়বদ্ধতাৰ লগতে সমগ্ৰ বিশ্ব অভূতপূৰ্ব প্ৰত্যাহ্বানৰ মাজেৰে আগবাঢ়িবলগীয়া বৰ্তমানৰ সময়ত দেশক নেতৃত্ব দিয়াৰ তেওঁৰ সামৰ্থ্যৰ বিষয়ে উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে এনে কাৰকসমূহেই সম্প্ৰতি ভাৰতক আত্মবিশ্বাসী, সহনশীল আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সন্মানজনক অৰ্থনৈতিক শক্তি হিচাপে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে ইয়াকো কয়, যে এই উল্লেখনীয় বিকাশৰ হাৰে নতুন নতুন সুযোগৰ সৃষ্টি কৰাৰ লগতে ১৪০ কোটি ভাৰতীয় নাগৰিকৰ আশা-আকাংক্ষাক অধিক শক্তিশালী কৰি তুলিছে।

০০০০০০০

ভাৰত আৰু আমেৰিকাৰ সেনাৰ ২৯ সংখ্যক উচ্চস্তৰীয় বৈঠক আজি হাৱাইত অনুষ্ঠিত হয়। এই বৈঠকত ভাৰতীয় সেনাৰ ৰণনীতি বিভাগৰ উপ-সেনা প্ৰমুখ লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘাই আৰু আমেৰিকাৰ সেনাৰ ডেপুটি কামাণ্ডিং জেনেৰেল জোৱেল ৰ'ৰেলে সহ-অধ্যক্ষতা কৰে। আজিৰ এই বৈঠকত

দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ লগতে যৌথ অভিযানৰ সামৰ্থ্য বৃদ্ধি কৰা বৃত্তিজীৱী ব্যক্তিৰ বিনিময় সম্প্ৰসাৰিত কৰা আৰু উভয় পক্ষৰ নিৰাপত্তাৰ স্বাৰ্থত সামৰিক সহযোগিতা অধিক গভীৰ কৰাৰ বিষয়ে আলোচনা কৰা হয়। উভয় পক্ষই দেশ দুখনৰ মাজৰ সেনাৰ বৰ্ধিত পাৰস্পৰিক সহযোগিতাৰ শলাগ লোৱাৰ লগতে এই সহযোগিতাক অধিক শক্তিশালী কৰি তোলাৰ বাবে দায়বদ্ধতা প্ৰকাশ কৰে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিয়াটলত আজি ভাৰতীয় আমৰ মহোৎসৱ 'Mango Magic FestivaL'ৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হৈছে। ভাৰতীয় আম আমদানি কৰা দেশখনৰ ১০০তকৈও অধিক প্ৰতিষ্ঠানে এই মহোৎসৱত অংশগ্ৰহণ কৰিছে। মুঠ ৭ বিধ উচ্চ মানৰ ভাৰতীয় আম প্ৰদৰ্শনৰ ব্যৱস্থা কৰা এই মহোৎসৱত অংশগ্ৰহণকাৰীসকলৰ বাবে আমৰ সোৱাদ উপভোগ কৰাৰো ব্যৱস্থা ৰখা হৈছে। উল্লেখযোগ্য যে এই মহোৎসৱত মহাৰাষ্ট্ৰৰ আলফনছ' আৰু কেছৰ, অন্ধ্ৰপ্ৰদেশৰ বংগনপল্লী আৰু হিমায়ত, উত্তৰ প্ৰদেশৰ লেংৰা আৰু দছেৰী আৰু গুজৰাটৰ ৰাইপ ৰাজাপুৰী আম প্ৰদৰ্শন আৰু সোৱাদ গ্ৰহণৰ বাবে ৰখা হৈছে। এই উৎসৱত অংশগ্ৰহণ কৰি কষ্ট্ক' হোলছেল নামৰ প্ৰতিষ্ঠানটোৰ উপাধ্যক্ষ বব্ হাস্কিয়ে, তেওঁলোকৰ প্ৰতিষ্ঠানটোৱে শেহতীয়াকৈ ভাৰতীয় কেছৰ আম বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি কয়, যে যোগানৰ তুলনাত চাহিদা অধিক হোৱাৰ পৰিপ্ৰেক্ষিতত এইবিধ সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত তেওঁলোকে আশা কৰাতকৈ অধিক সাফল্য লাভ কৰিছে।

উল্লেখযোগ্য যে সম্প্ৰতি বিশ্বৰ সৰ্বাধিক পৰিমাণৰ আম ৰপ্তানিকাৰী দেশ ভাৰতবৰ্ষই বছৰি ২ কোটি ৬০ লাখ মেট্ৰিক টনতকৈও অধিক পৰিমাণৰ আম ৰপ্তানি কৰি আহিছে।

০০০০০০০

অসম চৰকাৰে বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ডং শৰ্মাই জনোৱা অনুসৰি বিধায়ক পুঁজিৰ ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ টকা অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য কামত খৰচ হ'ব। অহা সাতদিনৰ ভিতৰত নতুন মন্ত্ৰীসকলক দপ্তৰ বিতৰণ আৰু আজিৰ ভিতৰতে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডং শৰ্মাই প্ৰকাশ কৰে। কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰী আৰু পেঞ্চনাৰৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। এই সিদ্ধান্তৰ ফলত ৮ লাখৰো অধিক কৰ্মচাৰী আৰু পেঞ্চনাৰ উপকৃত হ'ব।

মুখ্যমন্ত্ৰী ডং শৰ্মাই প্ৰকাশ কৰা অনুসৰি অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব।

কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা ডিব্ৰুগড়ত উন্নয়ন পৰিষদ গঠন কৰাৰ সিদ্ধান্ত লয়। এই পৰিষদৰ অধীনত নগৰখনৰ ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নমূলক কাম-কাজ কৰা হ'ব। ইয়াৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়াত অনুমোদন জনায়। অধ্যক্ষগৰাকীয়ে কেবিনেট মৰ্যাদা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে। দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ, ডিব্ৰুগড়ে দ্বিতীয় ৰাজধানী অঞ্চলৰ উন্নয়নৰ সৈতে জড়িত আঞ্চলিক

আৰু ক্ষেত্ৰীয় পৰ্যায়ৰ উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰা, বিকাশ কৰিড'ৰ আৰু নগৰ সম্প্ৰসাৰণ এলেকা চিনাক্ত কৰাৰ দায়িত্ব বহন কৰিব। উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে স্থানীয় বিধায়কগৰাকীয়ে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী উপাধ্যক্ষ হিচাপে থাকিব। একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তগৰাকী সদস্য সচিব, দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়া, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত আৰু ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকী সদস্য হিচাপে থাকিব। ইয়াৰ লগতে জিলাখনৰ সকলো বিভাগৰ জিলা পৰ্যায়ৰ মুৰববী বিষয়াসকল পদেন সদস্য হিচাপে থাকিব।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সন্ধিয়া নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালৰ সৈতে আলোচনা বহিব। নেপালৰ বৈদেশিক মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই বৈঠকত দুয়ো পক্ষই যৌথ স্বাৰ্থজড়িত বিষয়ত মত বিনিময় কৰিব। লগতে বাণিজ্য, বিনিয়োগ, যোগাযোগ, শক্তি আৰু গণসংযোগৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ চেষ্টা চলাব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে নেপালৰ বিদেশ মন্ত্ৰীগৰাকীৰ ভ্ৰমণে ভাৰত আৰু নেপালৰ মাজত বিশেষ অংশীদাৰিত্ব শক্তিশালী কৰিব তুলিব। তেওঁ উল্লেখ কৰে যে দুয়োখন দেশে উন্নয়ন, সহযোগিতা, গণসংযোগ, বাণিজ্য আৰু বিনিয়োগকে ধৰি বিভিন্ন যৌথ স্বাৰ্থজড়িত বিষয়ত সহযোগিতা বৃদ্ধিৰ আলোচনা কৰিব।

তিনিদিনৰ ভ্ৰমণ সূচীলৈ ভাৰতলৈ অহা নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ড'ভালক সাক্ষাৎ কৰে। ভাৰতত থকা নেপালৰ দূতাবাসে প্ৰকাশ কৰা অনুসৰি দুয়োগৰাকী নেতাই ভাৰত-নেপাল দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ আলোচনা কৰে।

0000000

মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ গোৱাৰ মাৰগাঁৱত হ'বলগীয়া  চূড়ান্ত খেলখনত আজি ভাৰত বাংলাদেশৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'ব। ভাৰতে ভূটানক ছেমি ফাইনেলত ১-০ গ'লত পৰাজিত কৰি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে।

0000000

চণ্ডিগড়ৰ মোল্লানপুৰৰ মহাৰাজা যাদৱীন্দৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ ক্ৰিকেট টেষ্ট মেচত ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৪ অ'ভাৰত দুটা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰিছে। যশস্বী জয়ছোৱালে ৩২টা বলত ২৪ ৰান আৰু ছাই সূদৰ্শনে ১০৪টা বলত ৮১ ৰান কৰি আউট হয়। উল্লেখযোগ্য যে ২০১৮ চনৰ পাছৰ পৰা এয়া হৈছে ভাৰত আৰু আফগানিস্তানৰ মাজৰ প্ৰথমখন টেষ্ট মেচ। শুভমন গীলে ভাৰতীয় দলটোক নেতৃত্ব দিছে।

দীৰ্ঘদিনৰ অন্তত ভাৰত ভ্ৰমণ কৰা দলটোৱে একমাত্ৰ টেষ্ট খেলখনৰ উপৰি তিনিখনীয়া এদিনীয়া শৃংখলাতো ভাগ ল'ব। খেলকেইখন অহা ১৩, ১৭ আৰু ২০ জুনত অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত